প্ৰঃ বুদ্ধিৰ দ্বিকাৰক তত্বৰ বিষয়ে লিখা।

বুদ্ধিৰ দ্বিকাৰক তত্বটো বিখ্যাত ইংৰাজ মনোবিদ চাৰ্লচ স্পিয়েৰমেনে ১৯২৭ চনত দাঙি ধৰিছিল। তেখেতৰ মতে বুদ্ধি প্ৰধানকৈ 'জি' কাৰক ('G' Factor) অৰ্থাৎ সাধাৰণ মানসিক ক্ষমতা আৰু 'এছ' কাৰক ('S' Factor) বিশেষ মানসিক ক্ষমতাক লৈ গঠিত। 'G' Factor বোৰ সকলো বৌদ্ধিক কাৰ্যতেই ব্যৱহাৰ হয় আৰু 'S' Factor বোৰ কামৰ প্ৰকৃতি অনুসৰি পৃথক পৃথক হয়।